# অসম বিধান সভাৰ অধিবেশন – ২০২৬
# লিখিত উত্তৰৰ বাবে প্ৰশ্ন নং: ২১৯
# উত্তৰ দিয়াৰ তাৰিখ: ১০/০৭/২০২৬

বিষয়ঃ সত্ৰভূমি, কৃষিভূমি, ৰিজাৰ্ভ, বন্যভূমি আৰু আদ্ৰভূমি বেদখলমুক্ত আৰু সংৰক্ষণ।
শ্ৰীদীপক কুমাৰ দাস :

মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহাদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৰপেটা সমষ্টিত চাৰি গুৰু আৰু আতা-ঠাকুৰসকলে প্ৰতিষ্ঠা কৰা ঐতিহ্যপূৰ্ণ সত্ৰ আৰু থানসমূহৰ ভূমি আৰু খিলঞ্জীয়া ভূমিপুত্ৰৰ কৃষিভূমি সংৰক্ষণ তথা বেদখলমুক্ত কৰি চৰকাৰে ৰাজহ সংগ্ৰহৰ বাবে উপযুক্ত ব্যৱস্থাৰ হেতু পৰিকল্পনা কৰিছে নেকি? জনাব।

(খ) বৰপেটা সমষ্টিৰ অন্তৰ্গত বিভিন্ন ৰিজাৰ্ভ, বন্যভূমি আৰু আদ্ৰভূমি (Wetland) সমূহ অচিনাকী লোকসকলৰ দ্বাৰা বহুদিন ধৰি বেদখল হৈ আছে। এনেক্ষেত্ৰত সেই ভূমিসমূহ বেদখলমুক্ত কৰি প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাৰ স্বাৰ্থত কোনো বিশেষ আঁচনি গ্ৰহণ কৰা হৈছে নেকি? জনাব।

## উত্তৰ

মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী শ্ৰী কেশৱ মহন্ত দেৱে উত্তৰ দিছে –

(ক) বৰপেটা জিলা আয়ুক্তৰ পৰা পোৱা তথ্য অনুসৰি, বৰপেটা সমষ্টিৰ চেঙা ৰাজহ চক্ৰৰ অন্তৰ্গত পিৰলা সত্ৰৰ ১০১ বিঘা ০ কঠা ৪ লেছা মাটি বেদখল হৈ আছে । বেদখলমুক্ত কৰাৰ বাবে জাননী জাৰি কৰা হৈছিল যদিও বৰ্তমান বিষয়টো উচ্ছ ন্যায়ালয়ত গোচৰ নং WP(C) 5946/2023 যোগে গোচৰাধীন হৈ আছে ।

অসমৰ সত্ৰ আৰু থান সমূহৰ চাৰিসীমাৰ পৰা ৫ কি: মি: ব্যাসাৰ্দ্ধৰ অনা খিলঞ্জীয়া লোক সকলৰ দ্বাৰা মাটি হস্তান্তৰ ৰোধ কৰাৰ উদ্দেশ্যে ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ দ্বাৰা এখনি বিধেয়ক চলিত বিধান সভাৰ অধিবেশনত দাখিল কৰাৰ প্ৰস্তুতি চলি আছে ।

(খ) বৰপেটা জিলা আয়ুক্তৰ পৰা পোৱা তথ্য অনুসৰি, বৰপেটা সমষ্টিৰ অন্তৰ্গত বিভিন্ন ৰিজাৰ্ভ, বন্যভূমি আৰু আদ্ৰভূমি (Wetland) সমূহৰ সবিশেষ তথ্য **পৰিশিষ্ট –'ক'** ত সংলগ্ন কৰা হ'ল।

এই অবৈধভাবে বেদখল হৈ থকা ভূমি সমূহ অসম ভূমি ও ৰাজহ অধীনিয়ম ১৮৮৬ ৰ বিধি নং ১৮ অনুসৰি জিলা আয়ুক্ত সকলৰ দ্বাৰা বেদখল মুক্ত কৰাৰ ব্যৱস্থা (Provision) আছে।

*****************

| পৰিশিষ্ট - 'ক' | | |
|---|---|---|
| **ক্ৰমিক নং** | **ৰাজহ চক্ৰৰ নাম** | **ভূমিৰ সবিশেষ তথ্য** |
| ১ | বৰপেটা | বৰপেটা সমষ্টিৰ বৰপেটা ৰাজহ চক্ৰৰ অন্তৰ্গত গান্ধী গো-ৰিজাৰ্ভৰ ১১৩ বিঘা ৪ কঠা ১৫ লেছা মাটি আৰু ভেল্লা গো-ৰিজাৰ্ভৰ ১৫৩ বিঘা ২ কঠা ২ লেছা মাটি মুঠ ২৬৭ বিঘা ১ কঠা ১৭ লেছা মাটি বেদখল হৈ থকা দেখা যায়।<br>তাৰোপৰি ধকুৱা গাওঁত অৱস্থিত ফিঙুঁৱা-পৰুৱা বিলৰ ৩০ বিঘা আৰু পাকাবেতবাৰী পাম গাওঁৰ ১৫ বিঘা আদ্ৰভূমি বেদখল হৈ থকা দেখা যায়। |
| ২ | বাঘবৰ | বৰপেটা সমষ্টিৰ অন্তৰ্গত বাঘবৰ ৰাজহ চক্ৰৰ অধীনৰ জনীয়া মৌজাৰ কৰেৰতল আৰু গজিয়া গাওঁত কোনো ধৰণৰ ৰিজাৰ্ভ, বন্যভূমি আৰু আদ্ৰভূমি নাই। |
| ৩ | চেঙা | বৰপেটা সমষ্টিৰ চেঙা ৰাজহ চক্ৰৰ অন্তৰ্গত গাওৰ বাটগাওঁ, গণকপাৰা, মানেৰী, নিজ চেঙা, বৰ চেঙা, সৰু চেঙা, বহৰি আৰু নিজ বহৰি গো-ৰিজাৰ্ভত মুঠ ১১৫৬ বিঘা ০১ কঠা ৪ লেছা মাটি বেদখল হৈ আছে, বন্যভূমি নাই আৰু আদ্ৰভূমি বেদখল হোৱা নাই। |
| ৪ | সৰ্থেবাৰী | বৰপেটা সমষ্টিৰ সৰ্থেবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত **মুঠ চৰকাৰী খাছ মাটি** – ২৩,৭০৮ বিঘা ৩ কঠা ১৪ লেছা।<br>ইয়াৰ ভিতৰত অবৈধ দখলত থকা চৰকাৰী খাছ মাটি – ১১,২২৪ বিঘা ১ কঠা ১০ লেছা।<br>**মুঠ পি.জি.আৰ. (PGR) মাটি** – ৮,৪৮৬ বিঘা ৩ কঠা ১৪ লেছা।<br>ইয়াৰ ভিতৰত অবৈধ দখলত থকা পি.জি.আৰ. মাটি – ২,০৩২ বিঘা ৩ কঠা ১৪ লেছা।<br>**মুঠ ভি.জি.আৰ. (VGR) মাটি** – ৬,৮২৩ বিঘা ২ কঠা ১০ লেছা।<br>ইয়াৰ ভিতৰত অবৈধ দখলত থকা ভি.জি.আৰ. মাটি – ১,১৬১ বিঘা ১ কঠা ১৩ লেছা।<br>সৰ্থেবাৰী ৰাজহ চক্ৰৰ অধীনত কোনো জলাশয় (Wetland) বা বনভূমি নাই।<br>ইয়াৰ উপৰিও, সৰ্থেবাৰী ৰাজহ চক্ৰৰ অধীনত কোনো খিলঞ্জীয়া লোকৰ মাটি অবৈধভাৱে দখল কৰা হোৱা নাই।<br>২০২৩ চনত, কাৱাইমাৰী গাঁৱৰ ১১ নং ব্লকৰ ডেগ নং ০১-ৰ অন্তৰ্গত ৪০০ বিঘা পি.জি.আৰ. চৰকাৰী মাটি দখলমুক্ত কৰা হৈছিল। লগতে মাজদিয়া গাঁৱত ২ কঠা ১০ লেছা চৰকাৰী খাছ মাটিও দখলমুক্ত কৰা হৈছিল।<br>কিন্তু, উচ্ছেদ কাৰ্যৰ সৈতে জড়িত কোনো বিশেষ আঁচনি আৰম্ভ কৰাৰ বিষয়ে এই কাৰ্যালয়ত কোনো নথি বা তথ্য উপলব্ধ নাই। |